# আমাৰ পৰিৱেশ

### ভূগোল খণ্ড

**১) উত্তৰ দিয়া ।**

**(ক) পৰিৱেশ মানে কি ?**

উত্তৰঃ  আমাৰ  চাৰিওফালে আমাক আৱৰি থকা ৰদ, বতাহ , নৈ , গছ- গছনি , জীৱ- জন্তু , চৰাই- চিৰিকতি , ঘৰ- দুৱাৰ , আলি- পদূলি , গাওঁ , চহৰ,আদি উপাদানবোৰ লগ লাগি যি এক অৱস্থাৰ সৃষ্টি কৰিছে  সেয়াই পৰিৱেশ   ।

**(খ) পৰিৱেশ কেই প্ৰকাৰৰ আৰু কি কি ? উদাহৰণ দি লিখা ।**

উত্তৰঃ পৰিৱেশ দুই প্ৰকাৰৰ  । প্ৰাকৃতিক পৰিৱেশ  ,আৰু মানৱ সৃষ্ট পৰিৱেশ  । যেনে – পৰ্বত – পাহাৰ , সমভূমি , মালভূমি, ৰদ ,বতাহ , মাটি , প্ৰাণী   প্ৰাকৃতিক পৰিৱেশ আৰু ঘৰ – দুৱাৰ , যান- বাহন , দলং , ৰাস্তা- ঘাট , টেলিথোন , কল- কাৰখানা  ।

**(গ) পৰিৱেশ প্ৰধান উপাংশসমূহ কি কি ?**

উত্তৰ পৰিৱেশৰ প্ৰধান উপাংশ সমূহ হল – মাটি ,বালি , বেক্টেৰিয়া , ভেকুঁৰ , প্ৰাণী , পানী  আদি  ।

**(ঘ) মানৱ সৃষ্ট পৰিৱেশ কেনেদৰে সৃষ্টি হয়?**

উত্তৰঃমানুহে নিজে নিজৰ বাবে সৃষ্টি কৰি লোৱা অৱস্থাটোকে মানৱ সৃষ্ট পৰিৱেশ বোলে   । মানুহে নিজৰ সুবিধা মতে বিভিন্ন বস্তু প্ৰকৃতিৰ  বুকুৰ পৰা সংগ্ৰহ কৰি বিভিন্ন ধৰণে ঘৰ- দুৱাৰ , দলং , ৰাস্তা- ঘাত আদি বনাই  । সেইদৰহে মানৱ সৃষ্ট পৰিৱেশ সৃষ্টি হয়   ।

**২) শুদ্ধ উত্তৰটো শুদ্ধ চিন দিয়া।**

**(ক)  কোনটো মানৱ সৃষ্ট পৰিৱেশৰ উপাদান নহয়?**

1. মাটি

2. শিক্ষানুষ্ঠান
3. পৰিৱহণ ব্যৱস্থা

উত্তৰঃ মাটি।

**(খ) কোনটো প্ৰাকৃতিক পৰিৱেশৰ উপাদান নহয়?**

1. পবত
2. ঘৰ
3. নদী

উত্তৰঃ ঘৰ ।

**(গ) তলৰ কোনবোৰে পৰিৱেশৰ ক্ষতি কৰে?**

(১) গছ-গছনি

(২) কল-কাৰখানাৰ আৱজনা

(৩) খাদ্য শস্যৰ বৃদ্ধি

(৪) জনসংস্যা

(৫) জীৱ-জনতু নিঃশেষ হলে।

উত্তৰঃ

২) কল- কাৰখানা ,

৪) জন- সংস্য়া বৃদ্ধি ,

৫) জীৱ – জন্তুৰ নিঃশেষ ।

**৩। বাঁও ফালৰ সৈতে সোঁফালৰ মিল থকা অংশ চিনেৰে মিলোৱা।**

| বাঁওফাল | সোঁফাল |
|---|---|

| | |
|---|---|
| (ক) আমাৰ চৌপাশ | (ক)মাটি |
| (খ) জলমণ্ডল | খ) বায়ু |
| (গ) স্থলমণ্ডল | গ) পৰিৱেশ |
| (ঘ) জীৱমণ্ডল | (ঘ) পানী |
| (ঙ) বায়ুমণ্ডল | (ঙ) জীৱ-জগত |

**উত্তৰঃ**

| বাঁওফাল | সোঁফাল |
|---|---|
| (ক) আমাৰ চৌপাশ | গ) পৰিৱেশ |
| (খ) জলমণ্ডল | (ঘ) পানী |
| (গ) স্থলমণ্ডল | (ক)মাটি |
| (ঘ) জীৱমণ্ডল | (ঙ) জীৱ-জগত |
| (ঙ) বায়ুমণ্ডল | খ) বায়ু |

**৪। জৈৱিক উপাংশৰ উপাদানসমূহ কেনেদৰে পৰিৱেশত বতি থাকে ।**

উত্তৰঃ পৰিৱেশত থকা আটাইবাোৰ প্ৰাণী , উদ্ভিদ , ভেঁকুৰ , বেক্টেৰিয়া আদি জৈৱিক উপাংশৰ ভিতৰত পৰে । জলভাগ , স্থলভাগ আৰু বায়ু মণ্ডলত থকা সকলাোবাোৰ জৈৱিক উপাদানৰ দ্বাৰাই জৈৱিক উপাংশ গঠিত । চমুকৈ ক'বলৈ গ'লে জৈৱিক উপাংশৰ উপাদানসমূহ জীৱমণ্ডলত বৰ্তি থাকে । সাগৰৰ তলীৰ কিছু ওপৰৰ পৰা আৰম্ভ কৰি ভূ পৃষ্ঠৰ ওপৰৰ বায়ুমণ্ডলৰ এটা সীমালৈ প্ৰায় ২৪ কিল'মিটাৰলৈকে এই জীৱমণ্ডল বিস্তৃত । এই জৈৱিক উপাংশৰ সকলাে উপাদানেই এটাৰ ওপৰত আনটো নিৰ্ভৰ কৰি বৰ্তি থাকে । উদাহৰণ স্বৰূপে সেউজীয়া উদ্ভিদে সৌৰ শক্তিৰ সহায়ত জীয়াই থাকে । তৃণভাোজী প্ৰাণীয়ে ইহঁতক খাদ্য হিচাপে খায় । সেই প্ৰাণীক আকৌ মাংস হাৰীয়ে খায় । অৰ্থাৎ কোনাে এটা নিৰ্দিষ্ট পৰিৱেশত থকা সকলাে জীৱই ইয়াৰ লগত থকা কাৰাোবাৰ সহায়তহে বাচি থাকে । এটা নহ'লে আনটো জীয়াই থাকিব নাোৱাৰে ।

**৫। তুমি কেনেকুৱা পৰিৱেশত থাকিব বিচৰা চমুকৈ লিখা।**

উত্তৰঃ ছাত্ৰ – ছাত্ৰীসকলে নিজে লিখিব। তথাপি উত্তৰৰ ইংগিত তলত দিয়া হল :

ইংগিত :- ( ক ) কল – কাৰখানাৰ দ্বাৰা ধোঁৱা – ছাই নাোহাোৱা স্থান

( খ ) পলিথিনমুক্ত পৰিৱেশ

( গ ) গছ – গছনি থকা ঠাই

( ঘ ) অস্বাস্থ্যকৰ নলা – নৰ্দমা নথকা ঠাই

( ঙ ) নিৰ্মল বায়ু চলাচল কৰিব পৰা পৰিৱেশ।